জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮৪২/২০২০

# পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ক্ষেত্ৰীয় পৰ্যায়ত লাভ কৰা উল্লেখনীয় সফলতাৰ স্বীকৃতি স্বৰূপে মুখ্যমন্ত্ৰীয়ে প্ৰদান কৰিলে বঁটা

## প্ৰতিখন পঞ্চায়তৰে শক্তি আৰু সম্ভাৱনাৰ বিষয়ে খণ্ড উন্নয়ন বিষয়াসকলে উপযুক্তভাৱে অধ্যয়ন কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২১ ডিচেম্বৰ ঃ** ‘গ্ৰাম্য সমাজৰ সকলো দিশৰে পাৰ্গত ব্যক্তিসকলক খণ্ড উন্নয়ন বিষয়াসকলে চিনাক্ত কৰিব লাগিব। খণ্ড উন্নয়ন এলেকাৰ অধীনৰ গাঁৱসমূহৰ সমল ব্যক্তিসমূহৰ সৈতে এই বিষয়াসকলে সঘনাই মত-বিনিময় কৰিব লাগিব। গাঁও পঞ্চায়ত পৰ্যায়ত ৰূপায়িত হৈ থকা বিভিন্ন চৰকাৰী আঁচনিৰ ৰূপায়ণৰ প্ৰক্ৰিয়া কেনেদৰে হৈছে সেই সম্বন্ধে খণ্ড উন্নয়ন এলেকাৰ সমল ব্যক্তিসকলৰ পৰা মতামত ল’ব লাগিব যাতে খণ্ড উন্নয়ন এলেকাৰ অধীনৰ বিভিন্ন অঞ্চলৰ জনসাধাৰণে বিষয়াসকলক সদায়ে মনত ৰাখিব পাৰে।’ আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত ৰাজ্য চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰা ৰাজ্যখনত ৰূপায়িত হৈ থকা বিভিন্ন আঁচনিৰ ৰাজ্যিক ভিত্তিত পৰ্যালোচনা আৰু ক্ষেত্ৰীয় পৰ্যায়ত উল্লেখনীয় সফলতা লাভ কৰা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ২০২০-২১ বৰ্ষৰ বঁটা প্ৰদান অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

উল্লেখ্য যে আজিৰ এই অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত সমগ্ৰ অসমতে ৰূপায়িত হৈ থকা আঁচনিসমূহৰ অগ্ৰগতিৰ ওপৰত ভিত্তি কৰি বিভাগে ৰাজ্যিক পৰ্যায়ৰ বঁটাৰ বাবে নিৰ্বাচিত কৰা জিলা আৰু উন্নয়নখণ্ড কাৰ্যালয়ৰ ২৮ গৰাকী বিষয়াক মুখ্যমন্ত্ৰীয়ে বঁটা প্ৰদান কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে বিষয়াসকলক আজি বঁটা প্ৰদানেৰে সন্মানিত কৰা হৈছে যাতে এই প্ৰতিযোগিতামুখী বাতাবৰণত তেওঁলোকে আৰু অধিক উৎকৰ্ষিত মনোভাৱেৰে কাম কৰাৰ বাবে উৎসাহ তথা উদ্দীপনা লাভ কৰিব পাৰে। প্ৰতিযোগিতামুখী মানসিকতাৰে কাম কৰিলে কাম উন্নত মানদণ্ডৰ হোৱাৰ উপৰি নিৰ্দ্ধাৰিত সময়ৰ ভিতৰতে সম্পাদন কৰিব পৰা যায় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আজি যি খণ্ড উন্নয়ন কাৰ্যালয়ৰ বিষয়াই এই বঁটা লাভ কৰিলে সেই অঞ্চলৰ জনসাধাৰণৰ বিষয়াগৰাকীৰ প্ৰতি আস্থা আৰু বিশ্বাস বৃদ্ধি পাব। মুখ্যমন্ত্ৰীয়ে বিষয়াসকলক বিভিন্ন আঁচনি ৰূপায়ণৰ দিশত প্ৰত্যক্ষভাৱে নিৰীক্ষণ কৰাৰ বাবে আহ্বান জনোৱাৰ উপৰি তেওঁলোকৰ এলেকাৰ পঞ্চায়তৰ নিৰ্বাচিত জনপ্ৰতিনিধিসকলৰ সৈতে সঘনাই মত-বিনিময় কৰি আঁচনিসমূহ সফলভাৱে ৰূপায়ণৰ পদক্ষেপ গ্ৰহণৰ বাবে আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে কয় যে গ্ৰামাঞ্চলৰ জনসাধাৰণৰ বাবে থকা আঁচনিসমূহৰ জৰিয়তে যদি হিতাধিকাৰীসকল সঠিকভাৱে উপকৃত হয় তেতিয়া হ'লে তেওঁলোকৰ মনত গভীৰ প্ৰত্যয়ৰ সূচনা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতবৰ্ষৰ গ্ৰামাঞ্চলৰ উন্নয়ন অবিহনে ভাৰতবৰ্ষ শক্তিশালী হ'ব নোৱাৰে বুলি কোৱাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে গ্ৰাম্য অৰ্থনীতি শক্তিশালী কৰাৰ ওপৰত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে বিশেষভাৱে অগ্ৰাধিকাৰ প্ৰদান কৰিছে বুলিও কয়। প্ৰতিখন পঞ্চায়তৰে কি ক্ষেত্ৰত সম্ভাৱনা আছে সেইসমূহ বিশ্লেষণ কৰি ইয়াৰ উত্তৰণৰ পথ প্ৰশস্ত কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। প্ৰতিখন গাঁও পঞ্চায়তৰ শক্তি আৰু সম্ভাৱনাৰ বিষয়ে বিশ্লেষণ কৰি চৰকাৰক এই সম্বন্ধে অৱগত কৰিলে চৰকাৰে গ্ৰামাঞ্চলৰ উত্তৰণৰ দিশত সুস্থিৰ নীতি গ্ৰহণত সহায়ক হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে দোহাৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ শক্তি আৰু সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি উত্তৰ পূৰ্বাঞ্চলক ভাৰতৰ বিকাশৰ নতুন ইঞ্জিন বুলি অভিহিত কৰিছে। সেয়েহে আমিও আমাৰ শক্তি আৰু সামৰ্থৰ কথা অনুধাৱন কৰি আগবাঢ়িব লাগিব। বিজ্ঞান আৰু প্ৰযুক্তিৰ জৰিয়তে আমাৰ সম্ভাৱনীয়তা সমূহ বিকশাই তুলি গ্ৰামাঞ্চলৰ দৃশ্যপট সলনি কৰিব লাগিব বুলিও তেওঁ কয়। কৃষিখণ্ডত গ্ৰহণ কৰা পদক্ষেপৰ ফলশ্ৰুতিত এতিয়া বহু সংখ্যক শিক্ষিত যুৱক-যুৱতীয়ে কৃষিৰ প্ৰতি আকৃষ্ট হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কৃষক সমাজৰে পৰিপূৰ্ণ গ্ৰামাঞ্চলক আগুৱাই নিয়াৰ দিশত খণ্ড উন্নয়ন বিষয়াসকলে অগ্ৰণী ভূমিকা ল'ব লাগিব বুলিও কয়। খণ্ড উন্নয়ন এলেকাৰ ভিতৰত থকা মেধাৱী ছাত্ৰ-ছাত্ৰী, উঠি অহা যুৱচাম, উদীয়মান মহিলা ইত্যাদিৰ বিষয়ে অধ্যয়ন কৰি গ্ৰাম্য ৰূপান্তৰৰ দিশত বিশেষ পদক্ষেপ ল'ব লাগিব বুলিও তেওঁ কয়। যিসমূহ খণ্ড উন্নয়ন কাৰ্যালয়ৰ কাম-কাজ হতাশজনক সেই খণ্ড উন্নয়ন বিষয়াসকলে আসোঁৱাহসমূহ আঁতৰাই প্ৰগতিৰ গতি ত্বৰান্বিত কৰিব লাগিব বুলিও তেওঁ কয়। খণ্ড উন্নয়ন বিষয়াসকলে নিজৰ কাম-কাজৰ মাজেৰে সমাজত থকা তেওঁলোকৰ প্ৰতিচ্ছৱি সলনি কৰিব লাগিব বুলিও তেওঁ কয়। খণ্ড উন্নয়ন বিষয়াসকলে যিমান ভাল কাম কৰে সেই ভাল কামৰ সুফল সমগ্ৰ গ্ৰামাঞ্চলৰ জনসাধাৰণে লাভ কৰিব পাৰিব আৰু এই দিশত খণ্ড উন্নয়ন বিষয়াসকলে অধিক নিষ্ঠা আৰু দায়বদ্ধতাৰে জনসাধাৰণৰ পৰা লাভ কৰা অভাৱ-অভিযোগসমূহ নিৰাময়ৰ ব্যৱস্থা কৰিব লাগিব বুলিও তেওঁ কয়। এই ক্ষেত্ৰত পঞ্চায়তৰ নিৰ্বাচিত প্ৰতিনিধিসকলক খণ্ড উন্নয়ন বিষয়াসকলে অধিক দায়িত্বশীল কৰি তুলিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

খণ্ড উন্নয়ন বিষয়াসকলে তেওঁলোকৰ এলেকাধীন অঞ্চলৰ নিৰ্বাচিত জনপ্ৰতিনিধি, গাওঁ বুঢ়া তথা অন্যান্য বিষয়াসকলৰ সৈতে এটা টীম হিচাপে কাম কৰাৰ মানসিকতাৰে আগবাঢ়িব লাগিব। গ্ৰামাঞ্চলৰ প্ৰতিখন আঁচনিৰ ৰূপায়ণৰ দিশত এই বিষয়াসকলে উপযুক্তভাৱে নিৰীক্ষণ কৰি সঠিক কৰ্মপন্থা গ্ৰহণ কৰিব লাগিব বুলিও তেওঁ কয়। এই বিভাগৰ উচ্চপদস্থ বিষয়াসকলে খণ্ড উন্নয়ন বিষয়াসকলৰ সৈতে সঘনাই মত-বিনিময়ৰে তেওঁলোকক এই ক্ষেত্ৰত উৎসাহিত কৰিব লাগিব বুলিও তেওঁ কয়। ক'ভিড -১৯ৰ সময়ত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে জনসাধাৰণৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ শলাগ লৈ মুখ্যমন্ত্ৰীয়ে আগন্তুক সময়তো আৰু অধিক দায়বদ্ধতাৰে গ্ৰামাঞ্চলৰ জনসাধাৰণক সেৱা আগবঢ়োৱাৰ বাবে আহ্বান জনায়। বৰ্তমানৰ চৰকাৰখনে শাসনভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা জনসাধাৰণলৈ নিষ্ঠা সহকাৰে সেৱা আগবঢ়াই

আহিছে বুলি উল্লেখ কৰি খণ্ড উন্নয়ন বিষয়াসকলকো নিষ্ঠা আৰু সততাৰে সেৱা আগবঢ়োৱাৰ বাবে তেওঁ আহ্বান জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ বাবে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই ৰাজ্য চৰকাৰেও আত্মনিৰ্ভৰ অসম গঢ়ি তোলাৰ দিশত আত্মনিয়োগ কৰিছে। আত্মনিৰ্ভৰ অসম গঢ়ি তোলাৰ বাবে গ্ৰামাঞ্চলৰ অৰ্থনৈতিক বুনিয়াদ শক্তিশালী কৰিব লাগিব আৰু এই দিশত খণ্ড উন্নয়ন বিষয়াসকলে সঠিক কৰ্মপন্থাৰে জনসাধাৰণক পথৰ সন্ধান দিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। গ্ৰামাঞ্চলৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে গ্ৰহণ কৰা আঁচনিসমূহ যাতে সঠিকভাৱে ৰূপায়ণ হয় সেই দিশৰ ওপৰত খণ্ড উন্নয়ন বিষয়াসকলে গুৰুত্ব আৰোপ কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী নব কুমাৰ দলে কয় যে ৰাজ্য চৰকাৰে সমাজৰ প্ৰতিটো স্তৰৰ জনসাধাৰণ উপকৃত হোৱাকৈ আঁচনিসমূহ গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ গুৰুত্ব অধিক বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে সমাজৰ আটাইতকৈ দুৰ্বল শ্ৰেণীটোৰ বাবে এই বিভাগে কাম কৰিব লাগে বুলি কয়। এই বিভাগত কৰ্মৰত বিষয়া-কৰ্মচাৰীসকলে সমাজখনৰ অভাৱগ্ৰস্ত শ্ৰেণীলৈ সেৱা আগবঢ়োৱাৰ দৰে গুৰু আৰু পৱিত্ৰ দায়িত্বত নিয়োজিত হৈ আহিছে। ৰাজ্য চৰকাৰে মহিলা সৱলীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ৰাজ্যৰ প্ৰতিগৰাকী বৃদ্ধ, বিধৱা, দিব্যাংগজনে স্বাভিমানেৰে জীয়াই থকাৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰা হৈছে বুলিও তেওঁ কয়। মন্ত্ৰীগৰাকীয়ে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ কথা উল্লেখ কৰি কয় যে এই আঁচনিসমূহৰ সফলতা পূৰ্ণৰূপত নিৰ্ভৰ কৰে ক্ষেত্ৰীয় কৰ্মীসকলৰ ওপৰত। মিছন মুডত কাম কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মন্ত্ৰীগৰাকীয়ে বিষয়া-কৰ্মচাৰীসকলক অধিক নিষ্ঠা, দায়বদ্ধতা আৰু সেৱাৰ মানসিকতাৰে কামত অগ্ৰসৰ হোৱাৰ বাবে আহ্বান জনায়।

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আয়ুক্ত হেমেন দাসে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ প্ৰধান সচিব ডাঃ জে বি এক্কা, আয়ুক্ত সচিবকে ধৰি উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ / পুঃডেঃ**
**২১/১২/২০২০**